আমাৰ এন আৰ চি
ন্যায়সংগত এন আৰ চি

NRC
NATIONAL REGISTER OF CITIZENS

# নাগৰিকত্ব বিধি, ২০০৩ৰ পৰিশিষ্টৰ ৫ নং দফাৰ অধীনত এন আৰ চি'ৰ অতিৰিক্ত তালিকা প্ৰকাশ



**২৬ জুন ২০১৯ তাৰিখে প্ৰকাশ হোৱা খচৰা এন আৰ চি'ৰ অতিৰিক্ত তালিকাত দাবী আৰু আপত্তি নিষ্পত্তিৰ ফলাফল নাথাকে**

৩০-০৭-২০১৮ তাৰিখে প্ৰকাশিত সম্পূৰ্ণ খচৰা এন আৰ চি'ত নাম অন্তৰ্ভুক্ত হোৱা কিন্তু পিছত অন্তৰ্ভুক্তিৰ বাবে অযোগ্য বিবেচিত হোৱা ব্যক্তিসকলৰ নাম সন্নিৰিষ্ট কৰি খচৰা এন আৰ চি'ৰ অতিৰিক্ত "বাদ পৰা" তালিকা এখন ২৬-০৬-২০১৯ তাৰিখে প্ৰকাশ হৈছে। অযোগ্য বিবেচিত হোৱাৰ কাৰণ ঃ

১। খচৰা এন আৰ চি প্ৰকাশৰ পিছত পৰিশিষ্টৰ 4(3) দফাৰ অধীনত কাৰ্য্যকৰী কৰা পৰীক্ষণমৰ্মে কোনো কাৰণবশতঃ, প্ৰযোজ্য অনুসাৰে, যেনে **'ডি ভি'** (DV-Doubtful Voter-সন্দেহজনক ভোটাৰ) বা **'ডি এফ'** (DF-Declared Foreigner-ঘোষিত বিদেশী) বা **'পি এফ টি'** (PFT-Persons with cases pending at Foreigners Tribunals-বিদেশী ন্যায়াধীকৰণত গোচৰ বিচাৰাধীন ব্যক্তি) বা তেওঁলোকৰ সতি সন্ততিৰূপে পৰিগণিত হৈ অযোগ্য বিবেচিত হোৱা

২। দাবী (Claims) আৰু আপত্তি (Objection) নিষ্পত্তিৰ বাবে অনুষ্ঠিত শুনানীত কেৱল সাক্ষী হিচাবে উপস্থিত হোৱাৰ সময়ত অযোগ্যৰূপে পৰিগণিত হোৱা

মন কৰিব যে এই অতিৰিক্ত তালিকাত **কেৱল** অযোগ্য বিবেচিত হোৱা ব্যক্তিসকলৰ নামহে আছে

জনসাধাৰণে **খচৰা এন আৰ চি'ৰ অতিৰিক্ত তালিকা** তলত উল্লেখ কৰা স্থানত চাব পাৰিব (কাৰ্য্যালয় চলা সময়ত) ঃ

(১) মনোনীত এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে) ত

(২) জিলা উপায়ুক্ত/ মহকুমাধিপতি (অসামৰিক)/ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত - য'ত, গাঁও/ ৱাৰ্ড সামৰি অতিৰিক্ত তালিকা একত্ৰভাৱে উপলব্ধ হ'ব

(৩) 'অনলাইন' চাওঁতাই এন আৰ চি'ৰ **www.nrcassam.nic.in** ৱেবচাইটত "Complete Draft NRC Viewing Link" (খচৰা এন আৰ চি ভিউইং লিংক) ক্লিক (click) কৰি অতিৰিক্ত তালিকা 'অনলাইন' চাব পাৰিব। যি সকল ব্যক্তিৰ খচৰা এন আৰ চি'ৰ স্থিতি (Draft Status) অতিৰিক্ত তালিকাবশতঃ "বাদ পৰা" (Exclusion) লৈ পৰিবৰ্তিত হৈছে, তেওঁলোক খচৰা এন আৰ চি'ত **"Excluded in Additional List"** (অতিৰিক্ত তালিকাত বাদ পৰিল) মন্তব্যৰে চিহ্নিত হ'ব। ৩০-০৭-২০১৮ তাৰিখে প্ৰকাশিত খচৰা এন আৰ চি'ত ইতিমধ্যে নাম অন্তৰ্ভুক্ত হোৱা আৰু অতিৰিক্ত তালিকাৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱা ব্যক্তিসকলৰ খচৰা এন আৰ চি'ৰ স্থিতি (Draft Status) অপৰিৱৰ্ত্তিত থাকিব

**পৰিশিষ্টৰ ৫নং দফাৰ অধীনত প্ৰকাশ হোৱা অতিৰিক্ত তালিকা (বাদ পৰা)ত কোনো ব্যক্তিৰ নাম তালিকাভুক্ত হ'লে কি হ'ব?**

যিসকল ব্যক্তিৰ নাম বাদ পৰিব তেওঁলোকক তেওঁলোকৰ বাসস্থানৰ ঠিকনাত জাননীপত্ৰ (Letter of Information) দি জনোৱা হ'ব। এনে ব্যক্তিয়ে তেওঁলোকৰ দাবী দাখিল কৰাৰ সুযোগ পাব। এনেবোৰ দাবী নিষ্পত্তিকাৰী বিষয়াই শুনানীৰ জৰিয়তে নিষ্পত্তি কৰিব। দাবী দাখিল কৰা আৰু নিষ্পত্তিকাৰী বিষয়াৰ দ্বাৰা দাবী নিষ্পত্তি কৰাৰ কাম একেলগে হ'ব। জাননীপত্ৰ (LOI)ত দাবী দাখিল কৰা কেন্দ্ৰ আৰু শুনানী কেন্দ্ৰৰ বিষয়ে সবিশেষ উল্লেখ থাকিব। ৩১-০৭-২০১৯ তাৰিখে চূড়ান্ত এন আৰ চি প্ৰকাশ কৰাৰ আগতে এনে সকলোবোৰ দাবী নিষ্পত্তি কৰা হ'ব।

**নাগৰিকপঞ্জী উন্নীতকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো নিখুঁত, নিৰপেক্ষ আৰু ফলপ্ৰসূভাৱে মহামান্য উচ্চতম ন্যায়ালয়ৰ আদেশ আৰু পৰ্য্যবেক্ষণত ৰূপায়ন কৰা হৈ আছে।**

*১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা) 'কাট-অফ' তাৰিখলৈকে সকলো প্ৰকৃত ভাৰতীয়ৰ নাম চূড়ান্ত নাগৰিকপঞ্জীত সন্নিৱিষ্ট হ'ব*


জনহিতাৰ্থে প্ৰচাৰিত
ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ
নাগৰিক পঞ্জীয়নৰ মহাপঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ


বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক
১৫১০৭ (অসমৰ বাবে)
১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক

Exclusive/NRC/06-19